**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 18-04-2026
**Time :** 1340 HRS.

ASSAMESE MIDDAY BULLETIN
## HEADLINES
**::::::::::::::::::**

১। সংসদৰ দুয়োখন সদনৰ কাম-কাজ আজি অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখা হয়। ইয়াৰ লগে লগে ২৮ জানুৱাৰীৰ পৰা অনুষ্ঠিত সংসদৰ বাজেট অধিবেশনৰো অন্ত পৰে।

২। লোকসভাত ১৩১ সংখ্যক সংবিধান সংশোধনী বিধেয়কখন গৃহীত নোহোৱা সন্দৰ্ভত কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কয়, যে কংগ্ৰেছে মহিলাৰ স্বাৰ্থৰ বিৰুদ্ধে থিয় দিছে।

৩। বিশ্বৰ আন বিভিন্ন স্থানৰ লগতে ভাৰততো আজি বিশ্ব ঐতিহ্য দিৱস পালন কৰা হৈছে।

৪। প্ৰচণ্ড গৰমৰ মাজতে পশ্চিম বংগ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানে ক্ৰমাৎ তীব্ৰতা লাভ কৰিছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সংসদৰ দুয়োখন সদনৰ কাম-কাজ আজি অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখা হয়। ইয়াৰ লগে লগে ২৮ জানুৱাৰীৰ পৰা অনুষ্ঠিত সংসদৰ বাজেট অধিবেশনৰো অন্ত পৰে। অধিবেশনৰ অন্তিম দিনা সদনত দিয়া ভাষণত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয়, যে বাজেট অধিবেশনত সদনত ৯৩ শতাংশ ফলদায়ক কাম-কাজ হয়। তেওঁ কয়, যে লোকসভাত এই অধিবেশনৰ কালছোৱাত মুঠ ৩১খন বৈঠক অনুষ্ঠিত হয়। এইবাৰৰ অধিবেশনত চৰকাৰে ১২খন বিধেয়ক উত্থাপন কৰে আৰু ইয়াৰে ৯খন বিধেয়ক সদনত গৃহীত হয় বুলি শ্ৰী বিৰলাই জনায়। এই বিধেয়কসমূহৰ ভিতৰত আছে-বিত্ত বিধেয়ক-২০২৬, দ্বিধাহীনতা আৰু দেউলীয়া সংহিতা সংশোধনী বিধেয়ক-২০২৫, অন্ধ্ৰপ্ৰদেশ পুনৰ গঠন সংশোধনী বিধেয়ক-২০২৬, জনবিশ্বাস বিধান সংশোধনী বিধেয়ক-২০২৬ আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী সাধাৰণ প্ৰশাসন বিধেয়ক-২০২৬ আদি।

**-বাইট- (ওম বিৰলা)**

ৰাজ্যসভাত বিদায় ভাষণত সভাপতি চি পি ৰাধাকৃষ্ণণে কয়,যে বাজেট অধিবেশনত ৰাজ্যসভাত ১৫৭ ঘণ্টাৰো অধিককালৰ কাম-কাজ সম্পন্ন হয় আৰু এই অধিবেশনত সদনত প্ৰায় ১১০ শতাংশ ফলদায়ক কাম হয়। তেওঁ কয়, যে সংসদৰ তিনিওখন অধিবেশনৰ ভিতৰত বাজেট অধিবেশনৰ গুৰুত্ব অধিক। বাজেট অধিবেশন আটাইতকৈ বেছি দিনৰ বাবে অনুষ্ঠিত হয় বুলি উল্লেখ কৰি শ্ৰী ৰাধাকৃষ্ণণে কয়, যে দেশৰ বিকাশৰ ৰূপৰেখা তৈয়াৰ কৰাতো বাজেট অধিবেশনৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। সদনৰ আলোচনাত ভাগ লয় মূল্যবান সিদ্ধান্ত গ্ৰহণত সহায় কৰাৰ বাবে তেওঁ সাংসদসকলৰ শলাগ লয়। শ্ৰী ৰাধাকৃষ্ণণে লগতে উল্লেখ কৰে, যে এই অধিবেশনতে মনোনীত সদস্য হৰিবংশ তৃতীয়বাৰৰ বাবে ৰাজ্যসভাৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত হয়। ৰাজ্যসভাৰ সভাপতিগৰাকীয়ে কয়, যে এইবাৰৰ বাজেট অধিবেশনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে পশ্চিম এছিয়াৰ সংঘাত আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত ভাৰতে শক্তি খণ্ডত সন্মুখীন হোৱা প্ৰত্যাহ্বান সন্দৰ্ভত এটা বিবৃতি দিয়ে। শ্ৰী মোডীয়ে পৰিস্থিতিক সঠিক অনুধাৱন কৰি ইয়াৰ মুখামুখি হ'বলৈ দেশবাসীৰ সমূহীয়া প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাত গুৰুত্ব দিয়ে।

ooooo

লোকসভাত ১৩১ সংখ্যক সংবিধান সংশোধনী বিধেয়কখন গৃহীত নোহোৱা সন্দৰ্ভত কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কয়, যে কংগ্ৰেছে মহিলাৰ স্বাৰ্থৰ বিৰুদ্ধে থিয় দিছে। আকাশবাণীক মন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ মহিলা সমাজে বিধেয়কখনলৈ গভীৰ আশাৰে বাট চাই আছিল, যদিও এই আশা ২০২৯ চন পৰ্যন্ত পিছুৱাই গ'ল।

বিজেপিৰ সাংসদ বাসুঁৰি স্বৰাজে অভিযোগ কৰে যে কংগ্ৰেছ আৰু অন্যান্য বিৰোধী দলে দেশৰ মহিলাসকলক বিশ্বাসঘাতকতা কৰিলে। সংসদ ভৱন চৌহদত আকাশবাণীক শ্ৰীমতী স্বৰাজে কয়, যে বিৰোধী দলে মহিলাসকল আগবাঢ়ি যোৱাতো নিবিচাৰে আৰু তেওঁলোকৰ সমানে সমানে সংসদৰ লগতে বিধানসভাত আসন গ্ৰহণ কৰাটো নিবিচাৰে।

কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কয়, যে চৰকাৰে মহিলাসকলৰ সবলীকৰণৰ উদ্দেশ্যে বিধানসভা আৰু লোকসভাত ৩৩শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰিব খুজিছিল। চৰকাৰৰ এই অভিলাষী বিধেয়কখন গৃহীত নোহোৱাৰ বাবে কংগ্ৰেছ অত্যন্ত সুখী হোৱা বুলিও শ্ৰীসিঙে উল্লেখ কৰে।

কংগ্ৰেছ নেতা প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই অভিযোগ কৰে যে, দেশৰ ফেডাৰেল গাঁথনিত আঘাত কৰিব খোজা চৰকাৰী প্ৰচেষ্টাক বিৰোধীয়ে বাধা দিবলৈ সমৰ্থ হ'ল। নতুন দিল্লীত এখন সংবাদমেলত তেওঁ কয়, যে মহিলা সবলীকৰণৰ বাবে প্ৰকৃত সদিচ্ছাৰ দৰকাৰ।

ooooo

বিশ্বৰ আন বিভিন্ন স্থানৰ লগতে ভাৰততো আজি বিশ্ব ঐতিহ্য দিৱস পালন কৰা হৈছে। এই দিনটো কীৰ্তি চিহ্ন আৰু ঐতিহ্যময় স্থানসমূহৰ দিন হিচাপেও জনা যায়। সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্য সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যেৰে পালন কৰা এই দিৱসৰ চলিত বৰ্ষৰ মূল বিষয় হৈছে- **সংঘাত আৰু দুৰ্যোগৰ পৰিপ্ৰেক্ষিতত ঐতিহ্যসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত জৰুৰীকালীন সঁহাৰি**।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক আৰু পৰ্যটন দপ্তৰৰ মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটকে ধৰি বিশিষ্ট ব্যক্তিসকলে বিশ্ব ঐতিহ্য দিৱস উপলক্ষে দেশৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে বিশ্ব ঐতিহ্য দিৱস উপলক্ষে নাগৰিকসকলক শুভেচ্ছা জ্ঞাপন কৰি সামগ্ৰিকভাৱে দেশৰ ঐতিহ্যই আমাৰ জনসাধাৰণৰ সমৃদ্ধিশালী মানসিক শক্তিক প্ৰতিফলিত কৰি আহিছে বুলি মত প্ৰকাশ কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত তেওঁ কয় যে আজিৰ দিনটোৱে দেশৰ ঐতিহ্যমণ্ডিত স্থানসমূহ ভৱিষ্যৎ প্ৰজন্মৰ বাবে সুৰক্ষিত তথা সংৰক্ষিত কৰি ৰখাৰ প্ৰতি আমাৰ দায়বদ্ধতাক সোঁৱৰাই দিয়ে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ঐতিহ্যসমূহক একোখন দেশৰ সমৃদ্ধিশালী সংস্কৃতি আৰু প্ৰাচীন সভ্যতাৰ পৰিচয় বুলি অভিহিত কৰি এইসমূহৰ সংৰক্ষণৰ হকে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায়। আনহাতে, সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী শ্বেখাৱাটে আজিৰ এই বিশেষ দিনটোৰ সৈতে সংগতি ৰাখি দেশৰ জনসাধাৰণলৈ দিয়া এটা শুভেচ্ছা বাৰ্তাত ঐতিহাসিক ক্ষেত্ৰসমূহ পৰিদৰ্শন কৰিবলৈ যোৱাৰ সময়ত এইবোৰৰ পৰিস্কাৰ-পৰিচ্ছন্নতা আৰু সুৰক্ষাৰ প্ৰতি মনোনিবেশ কৰিবলৈ আহ্বান জনায়। ঐতিহাসিক দিশৰ পৰা গুৰুত্বপূৰ্ণ দেশৰ এনে ঐতিহ্যমণ্ডিত স্থানসমূহৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ বিষয়টো তেওঁ গুৰুত্ব আৰোপ কৰে।

উল্লেখযোগ্য যে বিশ্বৰ সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্যসমূহৰ সুৰক্ষা তথা সেইসমূহৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে প্ৰতি বছৰে ১৮ এপ্ৰিলৰ দিনটোত বিশ্ব ঐতিহ্য দিৱস পালন কৰি অহা হৈছে। বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত ১৯৮৩ চনত আগ্ৰা কিলাৰ অন্তৰ্ভুক্তিৰ পাছত তাজমহল, অজন্তা আৰু ইলোৰা গুহাৰ অন্তৰ্ভুক্তিৰে আৰম্ভ হোৱা ভাৰতৰ যাত্ৰাত অসমৰ চৰাইদেউ মৈদাম ক্ষেত্ৰ শেহতীয়া সংযোজন।

বিশ্ব ঐতিহ্য দিৱস উপলক্ষে ভাৰতৰ পুৰাতত্ব জৰীপ বিভাগে ইয়াৰ অধীনৰ দেশৰ বিভিন্ন প্ৰান্তৰ কীৰ্তি চিহ্ন তথা স্থানসমূহ দৰ্শনৰ বাবে জনসাধাৰণৰ প্ৰৱেশ বিনামূলীয়া কৰিছে। উল্লেখযোগ্য যে, অসমৰ তিনিখন ঐতিহ্য ক্ষেত্ৰকে ধৰি দেশত ইউনেস্কোৰ স্বীকৃতি প্ৰাপ্ত ৪৪ খনতকৈও অধিক বিশ্ব ঐতিহ্য ক্ষেত্ৰ আছে।

ooooo

মহাৰাষ্ট্ৰৰ অমৰাৱতীৰ অশালীন ভিডিঅ' আৰু ফটোগ্ৰাফৰ প্ৰচাৰ সম্পৰ্কীয় গোচৰটোৰ সন্দৰ্ভত আজি এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া ৰাহাতকাৰৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত, কম বয়সীয়া ছোৱালীক জড়িত কৰাই অশালীন ভিডিঅ' আৰু ফটোগ্ৰাফ প্ৰস্তুত আৰু প্ৰচাৰ কৰাৰ অভিযোগক কেন্দ্ৰ কৰি ৰুজু হোৱা গোচৰটোৰ তদন্তৰ অগ্ৰগতিৰ বুজ লোৱা হয়। ৰাষ্ট্ৰীয় মহিলা আয়োগে এটা বিবৃতিত এই বিষয়টোক প্ৰযুক্তিৰ অপব্যৱহাৰ বুলি অভিহিত কৰি ইয়াক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। সংশ্লিষ্ট কৰ্তৃপক্ষসমূহক এনেদৰে প্ৰচাৰিত ভিডিঅ'

আৰু ফটোগ্ৰাফসমূহৰ ফৰেণছিক বিশ্লেষণৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰি প্ৰতি পাঁচ দিনৰ মূৰে মূৰে আয়োগক অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বুলি বিবৃতিটোত প্ৰকাশ কৰা হৈছে। গোচৰটো সন্দৰ্ভত বৰ্তমানলৈ ৮জন অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ বিষয়ে শীৰ্ষ আৰক্ষী বিষয়াই পৰ্যালোচনা বৈঠকখনত জানিবলৈ দিয়া বুলিও আয়োগে জানিবলৈ দিয়ে। আনহাতে, বিষয়টোৰ পৰা অধিক অনিষ্ট হোৱাটোক প্ৰতিহত কৰাৰ উদ্দেশ্যে আপত্তিজনক ফটো আৰু ভিডিঅ'সমূহ অনলাইন মঞ্চৰ পৰা স্থায়ীভাৱে অপসাৰণ কৰাৰ ব্যৱস্থা নিশ্চিত কৰাৰ উদ্দেশ্যে মহাৰাষ্ট্ৰৰ চাইবাৰ বিভাগৰ সৈতে সহযোগিতাৰে আগবাঢ়িবলৈ অধ্যক্ষা ৰাহাতকাৰে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

০০০০০০

প্ৰচণ্ড গৰমৰ মাজতে পশ্চিম বংগ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানে ক্ৰমাৎ তীব্ৰতা লাভ কৰিছে। তৃণমূল কংগ্ৰেছৰ মুৰব্বী তথা পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে দলীয় প্ৰাৰ্থীসকলৰ সমৰ্থনত আজি হাওৰাত এখন বিশাল জনসভাত ভাষণ দিয়ে। দলটোৰ আন এগৰাকী নেতা অভিষেক বন্দোপাধ্যায়ে আজি এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে পূৰ্ব বৰ্ধমান জিলাৰ একাধিক জনসভাত অংশগ্ৰহণ কৰাৰ কথা।

আনহাতে, বিজেপি নেতা তথা ৰাজ্যখনৰ বিৰোধী পক্ষৰ নেতা সুভেন্দু অধিকাৰীয়ে পূৰ্ব মেদিনীপুৰৰ এখন ৰাজহুৱা সভাত ভাষণ দিয়াৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপৰি উত্তৰ প্ৰদেশ আৰু মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী দুগৰাকীকে ধৰি ভালেকেইগৰাকী নেতাই ৰাজ্যখনৰ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লৈছে। একেদৰে কংগ্ৰেছ নেতা তথা তেলেংগানাৰ মন্ত্ৰী মহম্মদ আজাহাৰউদ্দিনেও ইতিমধ্যে মুৰ্ছিদাবাদ জিলাৰ কেইবাখনো জনসভাত ভাষণ দিয়াৰ লগতে আজিৰ দিনটোতেই মালদা জিলাতো একাধিক জনসভাত অংশগ্ৰহণ কৰিব। বাঁওপন্থী দলকে ধৰি আন বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলেও ৰাজ্যখনৰ নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ব্ৰাজিলৰ আগশাৰীৰ বাস্কেট বল খেলুৱৈ অস্কাৰ শ্মেটৰ কালি দেহাৱসান ঘটে। ৬৮ বছৰ বয়সীয়া খেলুৱৈগৰাকীক অসুস্থতাৰ বাবে ছাও প'ল এলেকাৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ পাছত কালি তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। ২০১৩ বৰ্ষত **হল অব ফেমত** স্থান লাভ কৰা খেলুৱৈগৰাকী মগজুৰ টিউমাৰৰ ৰোগত আক্ৰান্ত হৈছিল। ব্ৰাজিল আৰু ইউৰোপত ডেৰ কুৰি বছৰ ধৰি বৃত্তিগত খেলুৱৈ হিচাপে অংশগ্ৰহণ কৰা শ্মেটে ২০০৩ চনত খেলৰ জগতৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। ঐতিহ্যপূৰ্ণ খেলুৱৈ জীৱনত তেওঁ ব্ৰাজিলৰ হৈ পাঁচখন অলিম্পিক খেলত অংশগ্ৰহণ কৰাৰ লগতে চাৰিবাৰ বিশ্বকাপ প্ৰতিযোগিতাত ভাগ লৈছিল।

০০০০০

সমাপ্ত